# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০৬/২২-২৩
*Ref :*

তাৰিখ : ০৭-০৬-২০২২
*Date :*

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসম জাতীয় বিদ্যালয়ৰ এশ শতাংশ উত্তীৰ্ণ দশম স্থানত সৌৰভ বৰ্মন

**নুনমাটি, গুৱাহাটী, ৭ জুন ঃ** আজি ঘোষণা কৰা ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসম জাতীয় বিদ্যালয়ৰ ১০০ শতাংশ শিক্ষাৰ্থী উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ সাফল্যৰ ধাৰা অক্ষুণ্ণ ৰাখে। বিদ্যালয়খনৰ সৌৰভ বৰ্মনে ৯৮ শতাংশ নম্বৰ লাভ কৰি সমগ্ৰ ৰাজ্যখনৰ ভিতৰতে দশম স্থান অধিকাৰ কৰে। ঘোষিত ফলাফল অনুসৰি বিদ্যালয়খনৰ এইবাৰৰ ১৩৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৫৭ গৰাকীয়ে ডিষ্টিংচন আৰু ৩৪ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। ১২৫ গৰাকীয়ে প্ৰথম বিভাগ, ৭ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু এগৰাকী শিক্ষাৰ্থী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ মুঠ ৪৮ গৰাকী শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰে। ইয়াৰে ১৯ গৰাকীয়ে সাধাৰণ গণিত (১০০), ১২ গৰাকীয়ে উচ্চ গণিত (১০০), ৯ গৰাকীয়ে ইংৰাজী (১০০) আৰু ৮ গৰাকীয়ে সাধাৰণ বিজ্ঞান (১০০) বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰে। আনহাতে অসমীয়া বিষয়ত ৬৪ গৰাকীয়ে, ইংৰাজী বিষয়ত ৮৭ গৰাকীয়ে, সাধাৰণ বিজ্ঞানত ৬৪ গৰাকীয়ে, সমাজ বিজ্ঞানত ৭৫ গৰাকীয়ে আৰু সাধাৰণ গণিতত ৭০ গৰাকী পৰীক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰে। ঐচ্ছিক বিষয়বোৰৰ ভিতৰত উচ্চ গণিতত ২৯ গৰাকীৰ ভিতৰত ২৮ গৰাকীয়ে, কম্পিউটাৰ বিজ্ঞানত ৪৩ গৰাকীৰ ভিতৰত ৩০ গৰাকীয়ে, ভূগোল বিষয়ত ১৫ গৰাকীৰ ভিতৰত ১৪ গৰাকীয়ে, কণ্ঠ সংগীতত ২ গৰাকীৰ ভিতৰত দুয়োগৰাকীয়ে, নৃত্য বিষয়ত ৯ গৰাকীৰ ভিতৰত ৯ গৰাকীয়ে, সুকুমাৰ কলা বিষয়ত ১০ গৰাকীৰ ভিতৰত ১০ গৰাকীয়ে, হিন্দী বিষয়ত ২০ গৰাকীৰ ভিতৰত ১৭ গৰাকীয়ে আৰু ইতিহাস বিষয়ত ৫ গৰাকীৰ ভিতৰত ৩ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে। বিভিন্ন বিষয়ত মুঠ লেটাৰৰ সংখ্যা ৪৭৩। উল্লেখযোগ্য যে শিক্ষাৰ্থী ৰাছেল মালিকে সাধাৰণ গণিত, উচ্চ গণিত, সাধাৰণ বিজ্ঞান আৰু ইংৰাজী বিষয়ত সৰ্বোচ্চ ১০০ নম্বৰকৈ লাভ কৰে। আনহাতে সৌৰভ বৰ্মন, ৰিতম কুমাৰ বৈশ্য, অভিশ্ৰুতি শৰ্মা, পৰিস্মিতা কলিতা আৰু মাধুৰ্য্য জয়ন্ত কলিতাই তিনিটাকৈ বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰে। লক্ষ্যণীয় যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ২০০০ চনত অৱতীৰ্ণ হোৱা প্ৰথমটো বৰ্ষতেই এগৰাকী শিক্ষাৰ্থীয়ে স্থান লাভ কৰিবলৈ সক্ষম হোৱা বিদ্যালয়খনৰ পৰা বৰ্তমানলৈকে মুঠতে ৪৩ গৰাকী শিক্ষাৰ্থীয়ে এই পৰীক্ষাত ৰাজ্যিক ভিত্তিত স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/০৬/২২-২৩
*Ref :*

তাৰিখ : ০৭-০৬-২০২২
*Date :*

# Assam Jatiya Bidyalay shows outstanding performance in HSLC Results with 100% passing percentage

**Noonmati, Guwahati, 7 June :** Assam Jatiya Bidyalay at Noonmati comes out with flying colours with a position holder in the 10th rank. The school has maintained its 100% passing percentage like the previous year in HSLC Examinations. A total of 133 students appeared in the examination and all have passed with good marks. Saurav Barman secured 10th position with 98%. Among 133 students, 57 students got distinction and 34 students got star marks. 125 students secured first division, while 7 students secured second division. One student got third division. Moreover, a total of 48 students got state highest marks in different subjects. In between this , 19 students in General Mathematics (100), 12 students in Advanced Mathematics (100), 9 students in English (100) and 8 students in General Science (100) secured state highest marks. On the other hand , 64 students in Assamese, 87 students in English, 64 students in General Science, 75 students in Social Science and 70 students in General Mathematics scored letter marks. Among the elective subjects, 28 out of 29 students in Advanced Mathematics, 30 out of 43 students in Computer Science, 14 out of 15 students in Geography, 9 out of 9 students in Dance, 10 out of 10 students in Fine Arts, 17 out of 20 students in Hindi, 3 out of 5 students in History and 2 out of 2 students in Music secured letter marks respectively.

The total no. of letter marks in different subjects is 473. Notably, Russel Malik secured highest 100 marks in General Mathematics, Advanced Mathematics, General Science and English. On the other hand, Saurav Barman, Ritam Kumar Baishya, Abhishruti Sarma, Parismita Kalita and Madhurjya Jayanta Kalita obtained state highest marks in 3 subjects.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay